Elementary English

প্ৰাথমিক ইংৰাজী

TESS India

# Developing and monitoring writing

# লিখনৰ উন্নয়ন আৰু নিৰীক্ষণ






Teacher Education
through School-based
Support in India
www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

http://creativecommons.org/licenses/

The Open University

UKaid from the British people

TESS-India (Teacher Education through School-based Support) aims to improve the classroom practices of elementary and secondary teachers in India through the provision of Open Educational Resources (OERs) to support teachers in developing student-centred, participatory approaches. The TESS-India OERs provide teachers with a companion to the school textbook. They offer activities for teachers to try out in their classrooms with their students, together with case studies showing how other teachers have taught the topic and linked resources to support teachers in developing their lesson plans and subject knowledge.

TESS-India OERs have been collaboratively written by Indian and international authors to address Indian curriculum and contexts and are available for online and print use (http://www.tess-india.edu.in/). The OERs are available in several versions, appropriate for each participating Indian state and users are invited to adapt and localise the OERs further to meet local needs and contexts.

TESS-India is led by The Open University UK and funded by the UK government.

**Video resources**

Some of the activities in this unit are accompanied by the following icon: . This indicates that you will find it helpful to view the TESS-India video resources for the specified pedagogic theme.

The TESS-India video resources illustrate key pedagogic techniques in a range of classroom contexts in India. We hope they will inspire you to experiment with similar practices. They are intended to complement and enhance your experience of working through the text-based units, but are not integral to them should you be unable to access them.

TESS-India video resources may be viewed online or downloaded from the TESS-India website, http://www.tess-india.edu.in/). Alternatively, you may have access to these videos on a CD or memory card.

Version 2.0 EE14v1
Assam

Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0/

TESS-India is led by The Open University UK and funded by UK aid from the UK government

# এই গোটটো কিহৰ বিষয়ে (What this unit is about)

আপোনাৰ শ্ৰেণীকোঠাত ইংৰাজী লিখনৰ প্ৰতি উৎসাহিত কৰিবলৈ আপুনি কি কি কৌশল অৱলম্বন কৰিব সেই বিষয়ে এই গোটটিত পাব। আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলক ৰচনা আৰু খচৰা (পাণ্ডুলেখ) (Composition and Drafting) লিখনত সহায় কৰাটোৰেই ইয়াত আলোকপাত কৰিছে। অৱশ্যে, বানান, হস্তলিপি আৰু যতি-বিৰাম চিহ্নও গুৰুত্বপূৰ্ণ। কিন্তু ছাত্ৰ-ছাত্ৰীয়ে যেতিয়া কোনো বিষয়ে নিজৰ ধাৰণাসমূহ ৰচনা কৰে বা খচৰা লিখে, তেওঁলোকে একেসময়তে যান্ত্ৰিক কৌশলসমূহো (mechanical skills) অভ্যাস কৰে।

পঠনৰ অৰ্থেই লিখন কাৰ্য সাধিত হয়, সেয়েহে লিখনত গুৰুত্ব দিয়া মানে ই সদায় পঠনকো গুৰুত্ব সহকাৰে সামৰি লয়। যেতিয়া আপুনি আৰু আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে লিখন সম্পৰ্কে কথা পাতে, আপুনি তেওঁলোকৰ মৌখিক ভাষিক কৌশল সমূহো বিকশাই তোলে।

# এই গোটটোৰ পৰা কি শিকিব পাৰিব (What you can learn in this unit)

- আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে ব্যৱহাৰ কৰিবলগীয়া ৰচনা আৰু প্ৰতিলিপি লিখন ক্ৰিয়া-কলাপ চিনাক্ত কৰা।
- আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে পাণ্ডুলেখ (খচৰা লেখন) ক্ৰিয়া-কলাপ পৰিকল্পনা কৰা।
- আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে ইংৰাজী বানান কৰাৰ প্ৰচেষ্টা মূল্যায়ন কৰা।

# ১) ৰচনা আৰু প্ৰতিলিপি লিখন (1 Composition and transcription)

আপোনাৰ বাবে দিয়া এটা ক্ৰিয়া-কলাপত থকা ৰচনা আৰু প্ৰতিলিপি লিখনৰ দুটা মূল প্ৰক্ৰিয়া সম্পৰ্কে চিন্তনেৰে আৰম্ভ কৰক। যিকোনো ভাষাতে লিখনৰ সৈতে জড়িত হৈ আছে মনৰ ভিতৰৰ পৰা চিন্তা-ভাৱনাবোৰ উলিয়াই আনি কাগজত উপস্থাপন কৰা কাৰ্য। লিখনৰ দুটা মূল দিশ হৈছে ঃ

- **ৰচনা** (Composition) ঃ ৰচনা এক লিখন ভূমিকা য'ত ধাৰণাসমূহ লোৱা, লিখিত পাঠৰ ৰূপ নিৰ্দ্ধাৰণ (কবিতা, গল্প, প্ৰতিবেদন, ৰন্ধন-প্ৰকৰণ, নিৰ্দ্দেশাৱলী, ইত্যাদি), লেখাটি কোনে পঢ়িব আৰু কিয় পঢ়িব জড়িত হৈ আছে। ৰচনা লিখনৰ এক গুৰুত্বপূৰ্ণ অংশ হৈছে খচৰা (Drafting) প্ৰস্তুতকৰণ। যিকোনো লিখন প্ৰথম প্ৰয়াসত কাচিৎহে সঠিক হয়।
- **প্ৰতিলিপি** (Transcription) ঃ এক সচিবীয় ভূমিকা (secretarial role) য'ত জড়িত হৈ থাকে কেনেদৰে মনোযোগ স্থাপন কৰি লিখন উপস্থাপন কৰিলে আনে পঢ়িব আৰু বুজিব পাৰে। ইয়াৰ লগত জড়িত দিশসমূহ হ'ল হস্তলিপি, বানান, যতি বিৰাম চিহ্ন আৰু সাধাৰণ পাতন (general lay out)। প্ৰতিলিপি লিখনত লেখকে চূড়ান্ত খচৰা একোটাৰ পৰা এক সম্পূৰ্ণ লেখা লিখি উলিয়াব পাৰে।
  যেতিয়া ছাত্ৰ-ছাত্ৰীয়ে লিখিবলৈ আৰম্ভ কৰে, ইংৰাজী বা যিকোনো ভাষাতে, তেওঁলোকে একে সময়তে ৰচনা আৰু প্ৰতিলিপি লিখন কাৰ্য নিয়ন্ত্ৰণ কৰাত অসুবিধাৰ সন্মুখীন হয়, আৰু প্ৰত্যেকটো ভালদৰে প্ৰদৰ্শন কৰিব নোৱাৰে। যেতিয়া ছাত্ৰ-ছাত্ৰীসকলে কোনো এটি লেখাৰ বাবে ধাৰণা সমূহ জুকিয়াই লয়, তেওঁলোকে সম্পৰ্কিত শব্দবোৰৰ বানান শুদ্ধকৈ লিখিব নোৱাৰিব পাৰে; তেনেদৰে ,যেতিয়া তেওঁলোকে শব্দবোৰৰ শুদ্ধ বানানত অধিক গুৰুত্ব দিয়ে, তেতিয়া কোনো গল্প বা কবিতা এটাৰ বাবে তেওঁলোকৰ ধাৰণাসমূহ কম সৃজনীমূলক হ'ব পাৰে।

## চিন্তন (Pause for thought)

- আপুনি যেতিয়া ছাত্ৰ-ছাত্ৰীক ইংৰাজীত লিখিবলৈ শিকায়, কিহৰ ওপৰত বিশেষকৈ আলোকপাত কৰে - ৰচনা নে প্ৰতিলিপিত (Composition or Transcription)?
- ছাত্ৰ-ছাত্ৰীয়ে যে ৰচনা আৰু প্ৰতিলিপি লিখন উভয়ৰে নিয়ন্ত্ৰণত অসুবিধা পায় আপুনি পৰ্যবেক্ষণ কৰিছেনে? ইয়াক দূৰীকৰণৰ বাবে তেওঁলোকক সহায় কৰিবলৈ আপুনি কি কি শিক্ষণ কৌশল প্ৰয়োগ কৰে?
- আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলৰ ধাৰণাসমূহ লেখাৰ ক্ষেত্ৰত খচৰা প্ৰস্তুত কৰিবলৈ তেওঁলোকক কেনে ধৰণৰ সুযোগ প্ৰদান কৰে?

ঘটনা অধ্যয়ন ১ ত এগৰাকী শিক্ষকে ৰচনা আৰু খচৰা লিখনত আলোকপাত কৰিছে।

## ঘটনা অধ্যয়ন ১ ঃ সুজিত দাসে খচৰা লিখন অনুপ্ৰাণিত কৰিছে (Case Study 1: Sujit Das encourages drafting)

সুজিত দাসে কামৰূপৰ বাহিৰৰ এখন গাওঁৰ বিদ্যালয় এখনৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক ইংৰাজী শিকায়।

মই কৃষ্ণফলকত ৰেখাৰে সীমা প্ৰদৰ্শন কৰি এজন মানুহৰ অংকন কৰিছিলোঁ। ছাত্ৰ-ছাত্ৰীসকলক চিন্তা কৰাবলৈ মই কেইটিমান প্ৰশ্ন সুধিছিলোঁ, যেনে- 'Who is he?' (তেওঁ কোন?) আৰু 'Where does he live?' (তেওঁ ক'ত বাস কৰে?) মই ছাত্ৰ-ছাত্ৰীসকলক মানুহজনৰ ৰূপৰেখা সম্পৰ্কে অধিক প্ৰশ্ন সুধিবলৈ উৎসাহিত কৰিছিলোঁ। নিজ নিজ ধাৰণাৰে তেওঁলোকে সুধিছিল, যেনে - 'What work does he do?' (তেওঁ কি কাম কৰে?) আৰু 'What does he like?' (তেওঁ কি ভাল পায়?)

তেওঁলোকে থিৰাং কৰিছিল যে ব্যক্তিজন বিদ্যালয়ৰ ৰান্ধনি, ৰমেশ। প্ৰশ্নসমূহৰ উত্তৰ কেনেদৰে দিব সিদ্ধান্তত উপনীত হ'বলৈ মই ছাত্ৰ-ছাত্ৰীসকলক কৈছিলোঁ। তেওঁলোকে আগবঢ়োৱা পৰামৰ্শবোৰ মই কৃষ্ণফলকত চিত্ৰটোৰ চৌপাশে লিখি দিছিলোঁ।

তাৰপাছত তেওঁলোকক নিজ নিজ টোকাবহীত নিজৰ বাক্যবোৰ লিখিবলৈ কৈছিলোঁ (চিত্ৰ ১)। এই খচৰাবোৰৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে ৰমেশৰ বৰ্ণনা লিখি উলিয়াইছিল।



চিত্ৰ ১ সুজিত দাসৰ ছাত্ৰ-ছাত্ৰীসকলে ৰমেশৰ বিষয়ে লিখা এটি নমুনা

## চিন্তন (Pause for thought)

- ছাত্ৰ-ছাত্ৰীসকলে ৰমেশৰ বিষয়ে লিখা বাক্যবোৰ ভালদৰে চাওক। যদিও শ্ৰেণীটোৰ সকলোৱে একেলগে আলোচনা কৰিছিল, প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে ৰমেশৰ বিষয়ে সামান্য ভিন ভিন ধৰণে লিখিছে। এই লিখনিয়ে তেওঁলোকৰ ইংৰাজী লিখন সমৰ্থ্য সম্পৰ্কে কি সূচাইছে?
- আপুনি কিয় ভাবিছে যে সুজিত দাসে তেওঁলোকৰ খচৰা লিখনত কেৱল ন্যূনতম শুধৰণিহে কৰিছে?
- সুজিত দাসে এই কাৰ্যত কেনেদৰে ৰচনা আৰু প্ৰতিলিপি লিখনৰ বৈশিষ্ট্যৰ ভাৰসাম্য ৰক্ষা কৰিছে?
- সুজিত দাসে একেধৰণৰ এটা পদ্ধতি প্ৰয়োগ কৰি ছাত্ৰ-ছাত্ৰীসকলক স্বাধীনতা দিৱস উদ্‌যাপনৰ বিষয়ে লিখিবলৈ আৰু তেওঁলোকৰ ধাৰণাসমূহৰ খচৰা যুগুতাবলৈ সহায় কৰিছিল।

তেওঁ এটি চিত্ৰ (diagram) দিছিল আৰু প্ৰতিটো বাকচৰ বাবে তেওঁলোকক বাক্য লিখিবলৈ কৈছিল (চিত্ৰ ২)।




**চিত্ৰ** ২ ঃ স্বাধীনতা দিৱস সম্পৰ্কে সুজিত দাসৰ প্ৰ.্নসমূহ

আপুনি ভাবে নেকি যে এই চিত্ৰটো আপুনি ছাত্ৰ-ছাত্ৰীসকলক আন বিষয়-বস্তু সম্পৰ্কে লিখাৰ আৰম্ভণি কৰাবলৈ ব্যৱহাৰ কৰিব পাৰে?

## ত্ৰি য়া-কলাপ ১ ঃ খচৰা লিখনৰ অনুপ্ৰেৰণা - এক পৰিকল্পিত কাৰ্য (Activity 1: Encouraging drafting – a planning activity)

ঘটনা অধ্যয়ন ১ সুজিত দাসৰ উদাহৰণটিক এক নিৰ্দেশক হিচাপে লৈ আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এটি খচৰা লিখন কাৰ্য পৰিকল্পনা কৰক। বিষয়-বস্তুটো আপোনাৰ পাঠ্যপুথিৰ পৰা ল'ব পাৰে - বিজ্ঞান বা বুৰঞ্জী বিষয়ৰ যিকোনো বিষয়বস্তু, নাইবা এটা বাস্তৱ জীৱনৰ পৰিস্থিতি। ছাত্ৰ-ছাত্ৰীসকলক ইংৰাজীত বাক্যৰ খচৰা লিখাত সহায় কৰিবলৈ আপুনি মৌখিকভাৱে নিৰ্দেশনা দিব পাৰে নাইবা চিত্ৰ ২ ৰ লেখীয়া এটি চিত্ৰ ব্যৱহাৰ কৰিব পাৰে।

খচৰা লিখনত ৰচনাৰ ওপৰত অধিক গুৰুত্ব দিব, প্ৰতিলিপিত নহয়। ছাত্ৰ-ছাত্ৰীসকলক প্ৰথমতে অনুত্ৰ ম আৰু বাক্য গঠনত মন দিবলৈ কওঁক আৰু তাৰ পিছত তেওঁলোকে বানান আৰু উপস্থাপনৰ দিশটি চাব পাৰিব।

তেওঁলোকৰ খচৰাৰ পৰা পৰৱৰ্তী পাঠটি পৰিকল্পনা কৰক য'ত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ লেখাসমূহ উন্নত আৰু সম্পূৰ্ণ কৰিব পাৰিব।

## ২) প্ৰতিপুষ্টি প্ৰদান (2 Giving feedback)

ছাত্ৰ-ছাত্ৰীসকলক লিখন কাৰ্যৰ প্ৰতিপুষ্টি দিয়াৰ সময়ত এবাৰত মাথোঁ এটা বা দুটা দিশৰ ওপৰতহে আলোকপাত কৰক। ইয়ে এইটো নিশ্চিত কৰিব যে তেওঁলোকে মাত্ৰাধিক শুধৰণিৰ দ্বাৰা নিৰুৎসাহিত নহয় অথবা অত্যাধিক প্ৰতিপুষ্টিৰ ছাপত মগ্ন হৈ নপৰে। যেতিয়া প্ৰথম খচৰাৰ প্ৰতিপুষ্টি আগবঢ়াব, ছাত্ৰ-ছাত্ৰীৰ ৰচনা লিখন প্ৰয়াসক প্ৰশংসা কৰাটো আৱশ্যক। এটি গল্পৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ এটি ভাল ধাৰণা আছে নেকি? ছাত্ৰ-ছাত্ৰীসকলে মনোগ্ৰাহী সংলাপ লিখিছে নেকি? ছাত্ৰ-ছাত্ৰীসকলে কোনো এক প্ৰতিবেদনৰ মূল দিশবোৰ (কথাবোৰ) লিখিবলৈ মনত পেলাইছে নেকি? ছাত্ৰ-ছাত্ৰীসকলে ইংৰাজীত লিখিবলৈ ভালকৈ প্ৰয়াস কৰিছে নেকি?

প্ৰতিলিপি লিখনৰ প্ৰতিপুষ্টিৰ বাবে তেওঁলোকৰ খচৰাবোৰত প্ৰতীকেৰে চিহ্নিত কৰক আৰু গোটেই শ্ৰেণীতে আলোচনা কৰক এইবোৰে কি অৰ্থ বহন কৰে। চিত্ৰ ৩ ত উদাহৰণসমূহ দিয়া হৈছে।

| Symbol | Meaning | Incorrect |
|---|---|---|
| P | Punctuation | I live work, and go to school in Lucknow. |
| ⌒ | Close space | Every one works hard. |
| SP | Spelling | The maneger is a woman. |
| PL | Plural | Apple are the most nutritious fruit. |
| Ø | Unnecessary word | The student she studies all the time. |
| O | Missing word | Please don't me that question anymore. |

চিত্ৰ ৩ ঃ প্ৰতিপুষ্টিৰ প্ৰতীক চিহ্নসমূহ

যদিওবা আপোনাৰ শ্ৰেণীটো বৃহৎ, সকলো ছাত্ৰ-ছাত্ৰীকে ব্যক্তিগতভাৱে প্ৰতিপুষ্টি প্ৰদান কৰাটো অতি আৱশ্যক। প্ৰতিপুষ্টি বা মন্তব্য দিয়াৰ বাবে মাথোঁ এটিয়েই যে উপায় আছে তেনে নহয়। এইটো মনত ৰখা দৰ্কাৰ যে প্ৰতিপুষ্টিয়ে লিখনৰ দিশত এক ইতিবাচক মনোভাৱ গঢ়ি তোলা উচিত। পৰৱৰ্তী ঘটনা-অধ্যয়ন (Case Study) টোত, এগৰাকী শিক্ষকে ছাত্ৰ-ছাত্ৰী এগৰাকীৰ লিখনত কেনেদৰে প্ৰতিপুষ্টি দিব তাৰ সিদ্ধান্ত ল'ব লাগিব।

ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ মূল্যায়ন পদ্ধতি আৰু তথ্য পঞ্জীয়ন সম্পৰ্কে অধিক জানিবলৈ 'নিৰীক্ষণ আৰু প্ৰতিপুষ্টি' সমল ১ চাওক ।

## ঘটনা অধ্যয়ন ২ ঃ আফ্ৰিন বেগমে শ্ৰুতলিপি মূল্যায়ন (মান নিৰূপণ) কৰিছে (Case Study 2: Afreen Begum assesses dictation)

আফ্ৰিন বেগমে এখন চৰকাৰী বিদ্যালয়ত শিক্ষকতা কৰে য'ত সকলো ছাত্ৰ-ছাত্ৰী প্ৰথম-প্ৰজন্মৰ শিকাৰু।

মই ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যপুথিৰ পৰা শ্ৰুতলিপি দিছিলোঁ। যেতিয়া ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ কামবোৰ মোৰ হাতত দিলে, মই সেয়া পৰ্যালোচনা কৰিলোঁ আৰু দেখিলোঁ যে এজনী দহবছৰীয়া ছোৱালীয়ে 'pencil' (পেঞ্চিল), 'rubber' (ৰাবাৰ) আৰু 'boxes' (বাকচ) শব্দকেইটা তলত দিয়া ধৰণে বানান কৰিছে ঃ

- pensl
- rubr
- bokss.

মোৰ প্ৰথম প্ৰতিক্ৰিয়া আছিল এই ভুলবোৰ শুধৰাই দিয়া। কিন্তু মই দেখিছিলোঁ যে ছোৱালীজনীয়ে ইংৰাজী শব্দবোৰৰ আদি ধ্বনিবোৰ জানে। তেওঁ ব্যঞ্জন ধ্বনি চিনি পায় আৰু তেওঁ জানিছিল যে কিছুমান শব্দ বৰফলাৰ আখৰেৰে আৰম্ভ হয় বুলি জানিছিল। তেওঁ তেতিয়ালৈ ব্যঞ্জন ধ্বনিৰ মাজত থকা ইংৰাজী স্বৰ ধ্বনিৰ পাৰ্থক্য নিৰ্ণয় কৰিব পৰা নাছিল। মই দেখিছিলোঁ যে বানান কৰাৰ প্ৰচেষ্টাৰে তেওঁ নিজৰ ইংৰাজীৰ মৌখিক জ্ঞান প্ৰয়োগ কৰিছিল, যদিও লেখোঁতে সেয়া শুদ্ধ হোৱা নাছিল, যিটো 'x' ৰ সলনি 'k' আৰু 'c' ৰ সলনি 's' ব্যৱহাৰৰ ক্ষেত্ৰত পৰিলক্ষিত হৈছিল। মই থিৰাং কৰিছিলোঁ যে ইংৰাজী বৰ্ণ আৰু ধ্বনি সম্পৰ্কে তেওঁৰ সাম্প্ৰতিক বোধৰ ভিত্তিত তেওঁ লিখিবলৈ ভাল প্ৰচেষ্টা চলাইছে।

মই তেওঁৰ প্ৰচেষ্টাৰ প্ৰশংসা কৰিছিলোঁ। কিন্তু মই তেওঁক তেওঁৰ নিজৰ লেখাসমূহ অধিক মনোযোগেৰে পঢ়িবলৈ আৰু এখন অভিধান ব্যৱহাৰ কৰি তেওঁৰ বানান সমূহ পৰীক্ষা কৰি চাবলৈ কৈছিলোঁ। মই তেওঁক বেছিকৈ পঢ়িবলৈ উৎসাহিত কৰিছিলোঁ কাৰণ তেওঁ যিমান বেছিকৈ ইংৰাজীত পঢ়িব সিমানেই বেছি তেওঁৰ ইংৰাজী বানান উন্নত হ'ব।

মই লিখনৰ ভুলবোৰ আওকাণ কৰা নাছিলোঁ, আৰু ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিপুষ্টি আৰু শুধৰণি দিছিলোঁ। কিন্তু মই চাবলৈ চেষ্টা কৰিছিলোঁ কেনেদৰে তেওঁলোকৰ ভুলবোৰে তেওঁলোকৰ চিন্তন প্ৰক্ৰিয়া আৰু বিকাশৰ স্তৰৰ বিষয়ে মোক সন্ধান দিব। তেওঁলোকৰ ভুলবোৰ আগলৈ মই কেনেধৰণে পৰিকল্পনা কৰিব লাগিব তাৰ সন্ধান দিব।

## ত্ৰি য়া-কলাপ ২ ঃ ভুলবোৰ আৰু মান নিৰূপণ (Activity 2: Errors and assessment)

লিখনৰ ভুলবোৰ বহুলভাবে তলত দিয়াধৰণে শ্ৰেণীবদ্ধ কৰিব পাৰি ঃ

- 'silly mistakes' (নিৰ্বোধ ত্ৰুটী) বা বিচ্যুতিবোৰ যাক এবাৰ আঙুলিয়াই দিলে ছাত্ৰ-ছাত্ৰীসকলে নিজে নিজে শুধৰাই ল'ব পাৰে।
- 'misunderstandings' (ভুল বুজা-বুজি) যাক ছাত্ৰ-ছাত্ৰীসকলে নিজে শুধৰাই ল'ব নোৱাৰে আৰু সেয়া শিক্ষকে ব্যাখ্যা কৰি দিয়াৰ প্ৰয়োজন আছে।
- 'attempts' (প্ৰয়াস) য'ত ছাত্ৰ-ছাত্ৰীসকলে কিবা চেষ্টা কৰে কিন্তু ভুল কৰে কাৰণ তেওঁলোকৰ এতিয়ালৈ আৱশ্যকীয় ভাষিক কৌশল বা জ্ঞান নাই।

ছাত্ৰ-ছাত্ৰীৰ দুটি লেখা লক্ষ্য কৰক (চিত্ৰ ৪ আৰু ৫)। সেইবোৰে 'silly mistakes' (নিৰ্বোধ ত্ৰুটী) বা 'misunderstandings' (ভুল বুজা-বুজি) বা 'attempts' (প্ৰয়াস) ৰ প্ৰমাণ দাঙি ধৰেনে? এই গোটৰ আৰম্ভণিতে আপুনি পঢ়া অনুসৰি 'composition' (the author) আৰু 'transcription' (the secretary) ৰ ধাৰণাসমূহৰ ভিত্তিত এই লেখাক কেনেদৰে মূল্যায়ন কৰিব? আপুনি প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক প্ৰেৰণাদায়ক প্ৰতিপুষ্টি আগবঢ়াবলৈ কি ক'ব? আপোনাৰ বিদ্যালয়ৰ আন শিক্ষকৰ সৈতে এই উদাহৰণবোৰৰ বিষয়ে কথা পাতক আৰু মূল্যায়ন তথা প্ৰতিপুষ্টিৰ বাবে আপোনাৰ ধাৰণাবোৰ তুলনা কৰক।



1. I happy all day in my life
2. I feel comfortable in this week
3. I ~~happy~~ am so happy To play soccer every day.
4. I am so sad when I angry.
5. I hurt myself last week.

চিত্ৰ ৪ - এজন ন-বছৰ বয়সৰ ল'ৰাক নিজৰ বিষয়ে পাঁচটা বাক্য লিখিবলৈ কোৱা হৈছিল।



The story that I read was very impressive. This talk about how is gone the life of this family go in this city. This little boy tell about his brother and sister and were the other persons of the family work. Their grandmother, grandfather, father, uncles and aunt worked in the same place. From the continuing of story look like their mother is gone to fight or broke up with their father because he tell that his future stepfather work in the Wester Book Distributor. He also describe his town, The roads and the different kind of industry.

চিত্ৰ ৫ - এজনী ১২ বছৰ বয়সীয়া ছোৱালীক তেওঁ পঢ়া এখন কিতাপৰ প্ৰথম অধ্যায়ৰ বিষয়ে এটা দফা লিখিবলৈ দিয়া হৈছিল

যেতিয়া ছাত্ৰ-ছাত্ৰীসকলে ইংৰাজীত কথা কয় আৰু লিখে তেওঁলোকে কেতিয়াবা কেতবোৰ ইংৰাজী শব্দ এৰি যায় যদিহে সেইবোৰ তেওঁলোকৰ ঘৰুৱা ভাষাত ব্যৱহৃত নহয়, যেনে - articles a, the or an। এই সুযোগতে অন্যান্য ভাষাৰ তুলনাত ইংৰাজীৰ ভিন্ন গঠন সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীসকলক কওক।

বহুভাষিক মানুহে তেওঁলোকৰ কথা-বতৰা আৰু লেখা-মেলাত প্ৰায়ে ভাষাসমূহ সান-মিহলি কৰে - এয়া পৃথিৱীৰ সকলো ঠাইতে সাধাৰণতে পৰিলক্ষিত হয়। আপুনি এই প্ৰৱণতা ছাত্ৰ-ছাত্ৰীসকলক দেখুৱাবলৈ এনে ব্যক্তিক আমন্ত্ৰিত কৰিব পাৰে যিয়ে কোনো এক বিষয় - বস্তু সন্দৰ্ভত কওঁতে বা লিখোঁতে ভিন ভিন উপভাষা বা ভাষা ঘৰত ব্যৱহাৰ কৰে। এইয়া শ্ৰেণীত পঢ়ি দিয়ক বা প্ৰদৰ্শন কৰক। আপুনি কোনো মন্তব্য দিয়াৰ পৰা বিৰত থাকিবলৈ বা আন ছাত্ৰ-ছাত্ৰীয়েও যাতে মন্তব্য আগ নবঢ়ায় সেয়া মন কৰিব। ইয়াৰ উদ্দেশ্য

হৈছে বিভিন্ন ভাষাৰ সান-মিহলি কৰাটো যে স্বাভাৱিক আৰু বিৰলভাৱে ইংৰাজী ব্যৱহাৰ ইতিমধ্যে তেওঁলোকে জনা আন ভাষা ব্যৱহাৰৰ দৰে একেই তাক ছাত্ৰ-ছাত্ৰীসকলক নিজেই লক্ষ্য কৰিবলৈ দিয়া। ইংৰাজীৰ শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ ঘৰুৱা ভাষাসমূহ আনিব পৰা ত্ৰি য়া-কলাপবোৰৰ দ্বাৰা ইংৰাজী কোৱাৰ ক্ষেত্ৰত থকা তেওঁলোকৰ শংকাবোধ আঁতৰোৱাৰ দিশত যথেষ্ট সহায় হ'ব আৰু আমাৰ দেশৰ চহকী বহুভাষিতা উদ্‌যাপন কৰাটোও হ'ব।

**ভি. ডি. অ' ঃ নিৰীক্ষণ আৰু প্ৰতিপুষ্টি প্ৰদান** (Video: Monitoring and giving feedback)

## ৩) লিখনক উৎসাহ যোগোৱাত পঠন (3 Reading to inspire writing)

ছাত্ৰ-ছাত্ৰীসকলে যিমানেই বেছিকৈ ইংৰাজী শুনিব আৰু ইংৰাজীত পঢ়িব, সিমানেই তেওঁলোকৰ ইংৰাজী লিখন উন্নত হ'ব। আপুনি যেতিয়া ছাত্ৰ-ছাত্ৰীসকলক ইংৰাজীত কথা পাতিবলৈ আৰু পঢ়িবলৈ শিকায়, তেতিয়া আপুনি তেওঁলোকক লিখিবলৈকো শিকাই যায়। এবাৰ ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবলৈ আৰম্ভ কৰিলে তেওঁলোকে লিখাও আৰম্ভ কৰিব পাৰিব। এবাৰ তেওঁলোকে লিখিলে, তেওঁলোকৰ নিজৰ আৰু আনৰ লেখা পঢ়িবলৈ বিচাৰিব। অন্তিমটো ঘটনা-অধ্যয়নত এই প্ৰত্ৰি য়াটোক উৎসাহিত কৰিবলৈ শিক্ষকগৰাকীয়ে নতুন পন্থাৰে প্ৰয়াস কৰিছে।

### ঘটনা অধ্যয়ন ৩ ঃ প্ৰতুল ভট্টই লিখনত উৎসাহ দিবলৈ পঠন কাৰ্যৰে আৰম্ভ কৰিছে

### Case Study 3: Pratul Bhatta starts with reading to inspire writing

এগৰাকী চৰকাৰী বিদ্যালয়ৰ শিক্ষক প্ৰতুল ভট্টই লিখা প্ৰবন্ধ এটিৰ পৰা তলৰ কিয়দাংশ লোৱা হৈছে।

আমাৰ নতুন পাঠ্যপুথিয়ে বৰ্ণমালাৰ বৰ্ণবোৰেৰে আৰম্ভ কৰা আৰু সেইবোৰ লিখি লিখি বুজি লোৱাৰ সলনি ছাত্ৰ-ছাত্ৰীসকলক পোনপটীয়াকৈ ইংৰাজী শব্দবোৰৰ সৈতে চিনাকি কৰাই দিবলৈ নতুন ক্ষেত্ৰ মুকলি কৰিব ওলাইছে। লিখনত বিশেষ গুৰুত্ব দিবলগীয়া নাই। তাৰ সলনি ছাত্ৰ-ছাত্ৰীসকলক ইংৰাজী শুনিবলৈ, পঢ়িবলৈ আৰু ক'বলৈ সুযোগ দিব লাগিব। পূৰ্বতে পাঠ্যপুথিৰ প্ৰথম ছয়ৰ পৰা আঠটা পৃষ্ঠা ইংৰাজী বৰ্ণমালা সম্পৰ্কিত ছবিসহ উৎসৰ্গীকৃত আছিল। নতুন কিতাপখনত ইংৰাজী বৰ্ণমালা লিখনেৰে আৰম্ভ কৰাৰ পৰম্পৰা তেনেদৰে ভাঙি দিয়া হৈছিল। পৰম্পৰাগত শিক্ষক হিচাপে মই এইটো কল্পনা কৰিবলৈ টান পাইছিলোঁ যে বৰ্ণসমূহ লিখাৰ আগতে কেনেকৈ ছাত্ৰ-ছাত্ৰীসকলে পোনে পোনে ইংৰাজী শব্দবোৰ পঢ়িবলৈ সমৰ্থ হ'ব।

প্ৰশিক্ষণত যোগদান কৰি অহাৰ পাছত মই সম্পৰীক্ষা কৰি চাবলৈ সিদ্ধান্ত ল'লোঁ। মই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কিছুমান পুৰণি ইংৰাজী বাতৰিকাকত আৰু ছাত্ৰ-ছাত্ৰীৰ আলোচনী বিলাই দিলোঁ যাতে প্ৰত্যেকেই অন্ততঃ তিনিটাকৈ পৃষ্ঠা চাবলৈ পায়। কৃষ্ণফলকত মই এটা ইংৰাজী শব্দ লিখি দিলোঁ। উদাহৰণস্বৰূপে, কোনো এজন বিশেষ ছাত্ৰৰ নাম জয়পাল। মই তেওঁৰ নামটো কৃষ্ণফলকত লিখিলোঁ। এতিয়া, জয়পালে তেওঁক দিয়া বাতৰিকাকতত ইংৰাজী আখৰ 'J', 'A', 'I', 'P' আৰু 'L' কেইটা বিচাৰি উলিয়াব আৰু সেইবোৰ বৃত্ত আঁকি ঘেৰ দিব। একেধৰণে সকলো ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ নিজ নিজ নামত থকা আখৰবোৰ বিলাই দিয়া বাতৰিকাকতত বিচাৰি চাব আৰু বৃত্ত আঁকি সেইবোৰ ঘেৰ দিব।

ছাত্ৰ-ছাত্ৰীসকলে নিজৰ নামত থকা আখৰবোৰ বিচাৰি পাই যথেষ্ট আনন্দ লাভ কৰিব। তেওঁলোকে বিশেষকৈ স্ফূৰ্ত্তি লাভ কৰিব যেতিয়া কাকতত নিজৰ সম্পূৰ্ণ নাম ইংৰাজীত দেখিবলৈ পাব আৰু সম্পূৰ্ণ শব্দটি বৃত্তেৰে ঘেৰ দিব পাৰিব। এই অনুশীলনীৰ অৰ্থ হৈছে ছাত্ৰ-ছাত্ৰীসকলক শব্দৰ পৰা আখৰলৈ নিয়া আৰু সেয়া কৰোঁতে সফল হোৱা। মই দেখি আচৰিত হৈছিলোঁ যে যিসকল ছাত্ৰ-ছাত্ৰীয়ে কেইমাহমান আগলৈ ইংৰাজী আখৰবোৰ চিনি পোৱা নাছিল তেনে ছাত্ৰ-ছাত্ৰীয়ে আখৰ আৰু শব্দবোৰৰ উদাহৰণ বাতৰিকাকত আৰু আলোচনীত বিচাৰি উলিয়াব পাৰিছিল। মই উপলব্ধি কৰিছিলোঁ যে বাতৰিকাকতৰ অনুশীলনীটোৰ জৰিয়তে ইংৰাজীত পঠন ছাত্ৰ-ছাত্ৰীৰ বাবে আনন্দদায়ক কৰি তুলিব পাৰি। এগৰাকী শিক্ষক হিচাপে মোৰ বাবে অতি গুৰুত্বপূৰ্ণ কথাটো হ'ল এই যে মই দেখিছিলোঁ যে এবাৰ ছাত্ৰ-ছাত্ৰীসকলে ইংৰাজীত পঢ়িবলৈ আৰম্ভ কৰিলে তেওঁলোকে ইংৰাজীত লিখিবলৈ আৰম্ভ কৰিবলৈকো আগ্ৰহী হৈ পৰিছিল।

(Adapted from Bhatt, 2009)

## চিন্তন (Pause for thought)

- আপুনি প্ৰতুল ভট্টৰ সিদ্ধান্তৰ সৈতে একমতনে যে ইংৰাজীত লিখনৰ আগতে শ্ৰৱণ, কথন আৰু পঠন হ'ব লাগে। কিয় বা কিয় নহয়?
- ভাৰতত মজলীয়া বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ নিম্ন প্ৰাথমিক শ্ৰেণীৰ পৰাই ইংৰাজী অধ্যয়ন কৰে কিন্তু তেওঁলোকৰ অধিকাংশই সৰল শব্দ পঢ়িব নোৱাৰে, ইংৰাজীত বাক্য লিখা দূৰৰ কথা। এই সমস্যা সমাধান কৰাৰ আৰম্ভণি হিচাপে ভট্টৰ বাতৰিকাকত ত্ৰি য়া-কলাপ সন্দৰ্ভত কেনেদৰে ভাবে?
- ওপৰৰ বাতৰিকাকত ত্ৰি য়া-কলাপটো আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষেত্ৰত প্ৰয়োগ কৰি চাব পাৰে বুলি ভাবেনে? যদিহে আপুনি কোনো ইংৰাজী বাতৰিকাকত নেপায়, এই কাৰ্যটি ভিন ভিন ইংৰাজী পাঠ্যপুথি ব্যৱহাৰ কৰি চেষ্টা চলাই চাব পৰিবনে?

### ত্ৰি য়া-কলাপ ৩ ঃ লিখনক উৎসাহ যোগাবলৈ পঠন - এটি পৰিকল্পিত কাৰ্য (Activity 3: Reading to inspire writing – a planning activity)

সমল ২ ত থকা ত্ৰি য়া - কলাপবোৰ পঢ়ক। এইবোৰৰ প্ৰতিটো কাৰ্যতে পঠন আৰু লিখনৰ মাজত সংযোগ আছে

- আপোনাৰ শ্ৰেণীত কৰিব পৰা যিকোনো কাৰ্য বাছি লওক।
- কাৰ্যটিত ছাত্ৰ-ছাত্ৰীসকলে ত্ৰি য়া-কলাপৰ পৰা লেখা কাম আপুনি কেনেদৰে মূল্যায়ন কৰিব?
- ৰচনাত আপুনি কিমানখিনি গুৰুত্ব আৰোপ কৰিব আৰু প্ৰতিলিপিত কিমানখিনি?
- আপুনি ভাবে নেকি যে পঠন আৰু লিখনৰ মাজত সম্পৰ্ক থকাটো প্ৰয়োজন?

## ৪) সাৰাংশ (4 Summary)

এই গোটটোত আপুনি ছাত্ৰ-ছাত্ৰীক ইংৰাজী লিখনত অগ্ৰসৰ হ'বলৈ কেনেদৰে সহায় আগবঢ়াব আৰু কেনেদৰে তেওঁলোকৰ ইংৰাজীত লিখনৰ প্ৰচেষ্টাক মূল্যায়ন কৰিব তাক আলোকপাত কৰা হৈছে। ইংৰাজীত লিখনৰ আৰম্ভণি কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলে ইংৰাজী ব্যাকৰণত সাৱলীল হোৱা বা সঠিকভাৱে ইংৰাজী বানান জনাটো আৱশ্যক নহয়। খচৰা প্ৰস্তুতকৰণ আৰু লিখনৰ বাবে পৰ্যাপ্ত সুবিধা পালে ছাত্ৰ-ছাত্ৰীসকলে ইংৰাজী বানান আৰু বাক্য গাঁথনিসমূহ অভ্যাস কৰিব।

এই বিষয় বস্তু সন্দৰ্ভত অন্যান্য প্ৰাথমিক ইংৰাজী শিক্ষক বিকাশ গোটসমূহ হ'ল ঃ

- শিকন পৰিৱেশ *(The learning environment)*
- চিহ্ন প্ৰস্তুত আৰু প্ৰাৰম্ভিক লিখন *(Mark-making and early writing)*

## সমলসমূহ (Resources)

# সমল ১ ঃ নিৰীক্ষণ আৰু প্ৰতিপুষ্টি

## (Resource 1: Monitoring and giving feedback)

ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা (performance) উন্নতৰ কৰাৰ লগত নিৰবিচ্ছিন্নভাৱে নিৰীক্ষণ আৰু তেওঁলোকক সঁহাৰি জনোৱাটো জড়িত হৈ থাকে, যাতে তেওঁলোকে এইটো জানি থাকে যে তেওঁলোকৰ পৰা কি আশা কৰা হৈছে আৰু কাৰ্যসমূহ সম্পাদন কৰাৰ পাছত তেওঁলোকে প্ৰতিপুষ্টি লাভ কৰিব। আপোনাৰ গঠনমূলক প্ৰতিপুষ্টিৰ জৰিয়তে তেওঁলোকৰ কাৰ্য সম্পাদন পাৰদৰ্শিতা উন্নত কৰিব পাৰিব।

### নিৰীক্ষণ (Monitoring)

কাৰ্যকৰী শিক্ষকসকলে বেছিভাগ সময়তে তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীসকলক নিৰীক্ষণ কৰে। সাধাৰণতে, বেছিভাগ শিক্ষকেই ছাত্ৰ-ছাত্ৰীৰ কাম-কাজ শুনি আৰু শ্ৰেণীত তেওঁলোকে কি কৰে তাক পৰ্যবেক্ষণ কৰি নিৰীক্ষণ কৰে। ছাত্ৰ-ছাত্ৰীৰ অগ্ৰসৰতা নিৰীক্ষণ কৰাটো গুৰুত্বপূৰ্ণ কাৰণ ইয়ে তেওঁলোকক তলত দিয়া ধৰণে সহায় কৰে ঃ

- উচ্চতৰ মান লাভ কৰিবলৈ
- তেওঁলোকৰ কাৰ্যকৰণ সম্পৰ্কে সজাগ হ'বলৈ আৰু তেওঁলোকৰ শিকনৰ বাবে অধিক দায়িত্বশীল হ'বলৈ
- তেওঁলোকৰ শিকন উন্নত কৰিবলৈ
- ৰাজ্যিক আৰু স্থানীয় মানবিশিষ্ট (standardised) অভীক্ষাসমূহ (tests) সাফল্যত অনুমান কৰাত

ই আপোনাক শিক্ষক হিচাপে তলত দিয়া সিদ্ধান্তসমূহ গ্ৰহণ কৰাত সহায় কৰেঃ

- কেতিয়া প্ৰ.ন এটা সুধিব বা সোঁৱৰাই দিব (prompt)
- কেতিয়া প্ৰশংসা কৰিব
- প্ৰত্যাহ্বান জনাবনে
- কেনেদৰে একেটা কাৰ্যত ছাত্ৰ-ছাত্ৰীৰ ভিন ভিন দলক অন্তৰ্ভুক্ত কৰিব
- ভুল সমূহৰ ক্ষেত্ৰত কি কৰিব।

ছাত্ৰ-ছাত্ৰীৰ উৎকৰ্ষ (উন্নতি) সাধন হ'ব যেতিয়া তেওঁলোকৰ অগ্ৰগতিত সঘনে স্পষ্ট প্ৰতিপুষ্টি দিয়া হয়। নিৰীক্ষণে নিয়মিতভাৱে প্ৰতিপুষ্টি দিয়াত সমৰ্থ কৰিব, ছাত্ৰ-ছাত্ৰীসকলে কেনেদৰে কৰিছে আৰু তেওঁলোকে শিকনত আগবাঢ়ি যাবলৈ আন কি প্ৰয়োজন সেই সম্বন্ধে জানিবলৈ দিব।

আপুনি সন্মুখীন হ'বলগীয়া প্ৰত্যাহ্বানসমূহৰ ভিতৰত এটা হ'ল ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ নিজস্ব শিকন লক্ষ্যসমূহ, যাক স্ব-নিৰীক্ষণ বুলি জনা যায়, নিৰ্দ্ধাৰণ কৰি দিয়াটো। বিশেষকৈ যিসকল ছাত্ৰ-ছাত্ৰীয়ে সংগ্ৰাম কৰিবলগীয়া হয় তেওঁলোকে নিজৰ শিকন আহৰণ সম্পৰ্কে অভ্যস্ত নহয়। কিন্তু আপুনি যিকোনো ছাত্ৰ-ছাত্ৰীয়ে তেওঁৰ কোনো প্ৰকল্পৰ বাবে নিজৰ লক্ষ্য বা উদ্দেশ্যসমূহ থিৰাং কৰাত, কাৰ্য-আচঁনি যুগুতোৱাত আৰু অন্তিমসীমা নিৰ্দ্ধাৰণ কৰা আৰু তেওঁলোকৰ অগ্ৰগতি স্ব-নিৰীক্ষণ কৰাত সহায় আগবঢ়াব পাৰে। প্ৰক্ৰিয়াটো অভ্যাস কৰা আৰু স্ব-নিৰীক্ষণৰ কৌশল আয়ত্ত কৰাটোৱে তেওঁলোকক বিদ্যালয় তথা গোটেই জীৱন জুৰি ভালদৰে অগ্ৰসৰ হোৱাত সহায় কৰিব।

## ছাত্ৰ-ছাত্ৰীলৈ কাণ দিয়া বা তেওঁলোকৰ কথা শুনা আৰু পৰ্যৱেক্ষণ কৰা

## (Listening to and observing students)

প্ৰায়ভাগ সময়তে শিক্ষকসকলে স্বাভাৱিকভাৱেই ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি কাণ দিয়ে আৰু পৰ্যৱেক্ষণ কৰে; ই এটা সহজ-সৰল নিৰীক্ষণ আহিলা। উদাহৰণস্বৰূপে, আপুনি হয়তো ঃ

- আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে সৰৱ পঠন কৰাটো শুনে
- যুৰীয়া বা দলীয় কাৰ্যত হোৱা আলোচনাসমূহ শুনে
- ছাত্ৰ-ছাত্ৰীসকলে বাহিৰত বা শ্ৰেণীকোঠাৰ ভিতৰত সমলসমূহ ব্যৱহাৰ কৰাটো পৰ্যৱেক্ষণ কৰে
- দলসমূহে কাম কৰি থাকোতে তেওঁলোকৰ শাৰীৰিক ভাষা লক্ষ্য কৰে

এইটো সুনিশ্চিত কৰক যে আপুনি সংগ্ৰহ কৰা পৰ্যৱেক্ষণবোৰ ছাত্ৰ-ছাত্ৰীৰ শিকন বা অগ্ৰসৰতাৰ শুদ্ধ প্ৰমাণ হয়। আপুনি যি দেখে, শুনে, ন্যায্যতা দিয়ে বা গণ্য কৰে কেৱল তাকহে লিপিৱদ্ধ কৰিব।

যেতিয়া ছাত্ৰ-ছাত্ৰীসকলে কাম কৰে, চমু পৰ্যৱেক্ষণ টোকা প্ৰস্তুত কৰিবলৈ শ্ৰেণীকোঠাত ঘূৰা - ফুৰা কৰক। আপুনি এখনি শ্ৰেণী তালিকা ব্যৱহাৰ কৰিব পাৰে যাতে ছাত্ৰ-ছাত্ৰীয়ে ক'ত অধিক সহায় বিচাৰে তাক লিপিবদ্ধ কৰিব পাৰে, আৰু কোনো ভুল বুজাবুজিৰ উদ্ভৱ হ'লেও টুকি ৰাখিব পাৰে। এই পৰ্যবেক্ষণ আৰু টোকাসমূহ আপুনি গোটেই শ্ৰেণীটোক প্ৰতিপুষ্টি দিবলৈ ব্যৱহাৰ কৰিব পাৰে বা দলবোৰক অথবা ব্যক্তিগতভাৱে সহায় আৰু উৎসাহ যোগাব পাৰে।

## প্ৰতিপুষ্টি প্ৰদান (Giving feedback)

প্ৰতিপুষ্টি হৈছে এনে এক তথ্য যাক আপুনি এগৰাকী ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰে য'ত তেওঁলোকে এক নিৰ্দিষ্ট লক্ষ্য বা আকাংক্ষিত ফলাফলৰ সম্পৰ্কত কেনে ধৰণৰ কাৰ্য সম্পাদন কৰিছে উল্লেখ থাকে। কাৰ্যকৰী প্ৰতিপুষ্টিয়ে ছাত্ৰ-ছাত্ৰীক জনায় ঃ

- কি ঘটিছে তাৰ তথ্য

- এটা ত্রি য়া-কলাপ বা কাৰ্য কিমান ভালদৰে সম্পাদন হ'ল তাৰ এক মূল্যায়ন
- তেওঁলোকৰ কাৰ্যকৰণ পাৰদৰ্শিতা কেনেদৰে উন্নত কৰিব পাৰি তাৰ নিৰ্দেশনা

আপুনি যেতিয়া প্ৰত্যেক ছাত্ৰ-ছাত্ৰীক প্ৰতিপুষ্টি দিয়ে, ই তেওঁলোকক এইটো জনাত সহায় কৰা উচিত যে ঃ

- প্ৰকৃততে তেওঁলোকে কি কৰিব পাৰে
- তেওঁলোকে এতিয়াও কি কৰিব নোৱাৰে
- আনৰ সৈতে তেওঁলোকৰ কামৰ পাৰদৰ্শিতা কেনেদৰে তুলনা হয়
- কেনেদৰে তেওঁলোকে উন্নত কৰিব পাৰে

এইটো মনত ৰখা দৰকাৰ যে কাৰ্যকৰী প্ৰতিপুষ্টিয়ে ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰে। আপুনি শিকনক তল পেলাব নোখোজে কাৰণ আপোনাৰ প্ৰতিপুষ্টি অস্পষ্ট। কাৰ্যকৰী প্ৰতিপুষ্টি হ'ল ঃ

- **Focused** (আলোকপাত কৰা বা গুৰুত্ব আৰোপ) ছাত্ৰ-ছাত্ৰীসকলে কৰিবলৈ হাতত লোৱা কাম আৰু আৰশ্যকীয় শিকনৰ ওপৰত আলোকপাত কৰা বা গুৰুত্ব আৰোপ
- **clear and honest** (স্পষ্ট আৰু সঠিক) ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ ভাল দিশৰ বিষয়ে কোৱাৰ লগতে ক'ত উন্নত কৰাৰ প্ৰয়োজন আছে তাক কোৱা।
- **actionable** (কাৰ্যকৰণযোগ্য) ছাত্ৰ-ছাত্ৰীয়ে কৰিব পৰা কোনো কাৰ্য কৰিবলৈ কোৱা।
- ছাত্ৰ-ছাত্ৰীয়ে বুজি পোৱাকৈ **appropriate language** (যথাযথ ভাষাত) দিয়া
- **right time** (সঠিক সময়ত দিয়া) - যদিহে অতি সোনকালে দিয়া হয়, ছাত্ৰ-ছাত্ৰীয়ে ভাবিব, 'I was just going to do that!' (মই সেয়া কৰিবলৈ ওলাইছিলোঁহে) অতি পলমকৈ দিলে ছাত্ৰ-ছাত্ৰীৰ ধ্যান আনফালে যাবগৈ আৰু তেওঁলোকে পিছুৱাই যাবলৈ আৰু যি কোৱা হৈছিল কৰিবলৈ নুখুজিব।

প্ৰতিপুষ্টি কোৱা বা ছাত্ৰ-ছাত্ৰীৰ টোকা বহীত লিখা যিয়েই নহওক কিয়, ই অধিক কাৰ্যকৰী হ'ব যদিহে তলত দিয়া নীতি-নিৰ্দেশনাসমূহ অনুসৰণ কৰা হয়।

## প্ৰশংসা আৰু ইতিবাচক ভাষাৰ ব্যৱহাৰ (Using praise and positive language)

আমাক যেতিয়া প্ৰশংসিত বা উৎসাহিত কৰা হয় আমি সাধাৰণতে আমাক সমালোচনা কৰা বা শুধৰাই দিয়াতকৈ যথেষ্ট বেছি আনন্দ অনুভৱ কৰোঁ। পুনৰ দৃঢ়ীকৰণ আৰু ইতিবাচক ভাষা সমগ্ৰ শ্ৰেণীৰ বাবে আৰু সকলো বয়সৰ ব্যক্তিৰ বাবে অভিৰোচনামূলক অনুপ্ৰেৰণাদায়ক হয়। মনত ৰাখিব যে ছাত্ৰ-ছাত্ৰীসকলৰ বিষয়ে কোৱাতকৈ তেওঁলোকৰ কামৰ প্ৰতিহে বিশেষ গুৰুত্ব দি আৰু লক্ষ্য কৰি প্ৰশংসা কৰা উচিত, নহ'লে ই ছাত্ৰ-ছাত্ৰীক আগবঢ়াত একো সহায় নকৰিব, 'ভালেই কৰিছা' বুলি কোৱাটো সুনিৰ্দিষ্ট নহয়, গতিকে তলত দিয়া যিকোনো ধৰণে কোৱাটো বেছি ভাল হ'ব ;




## স্মাৰকৰ/সহায়কৰ লগতে শুধৰণিৰ ব্যৱহাৰ (Using prompting as well as correction)

আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে হোৱা আপোনাৰ কথা-বতৰাই তেওঁলোকৰ শিকনত সহায় কৰে। যদি আপুনি তেওঁলোকক কয় যে, উত্তৰ এটা ভুল আৰু তাতেই কথা শেষ কৰে, আপুনি তেওঁলোকক চিন্তা কৰিবলৈ আৰু নিজে চেষ্টা কৰি চাবলৈ দিয়াত সহায় কৰাৰ

সুযোগ হেৰুৱাব। যদি আপুনি ছাত্ৰ-ছাত্ৰীক একোটা ইঙ্গিত দিয়ে বা আন এটা প্ৰ.ন সোধে, আপুনি তেওঁলোকক আৰু গভীৰভাৱে ভাৰিবলৈ সহায় কৰিলে আৰু উত্তৰবোৰ বিচাৰিবলৈ তথা নিজৰ শিকনৰ দায়িত্ব লবলৈ তেওঁলোকক অনুপ্ৰাণিত কৰিলে। উদাহৰণস্বৰূপে, এটা বেছি ভাল উত্তৰ দিবলৈ উৎসাহ যোগাবলৈ বা এটা সমস্যা সমাধানৰ বাবে আন এক দিশ দেখুৱাবলৈ এনে ধৰণৰ কথা ক'ব পাৰে ঃ




অন্যান্য ছাত্ৰ-ছাত্ৰীসকলৰ পৰস্পৰক সহায় কৰিবলৈ উৎসাহিত কৰাটো যুগুত যথাযথ হ'ব। আপুনি তলত দিয়াধৰণৰ মন্তব্যৰে শ্ৰেণীৰ অন্যান্যসকলক আপোনাৰ প্ৰ.ন মুকলি কৰি দি তলত দিয়া ধৰণে মন্তব্য কৰিব পাৰে ঃ




বানান বা সংখ্যাৰ অভ্যাসৰ দৰে কাৰ্যৰ ক্ষেত্ৰত 'হয়' বা 'নহয়' বুলি ছাত্ৰ-ছাত্ৰীক শুধৰাই দিয়াটো যথাযথ হ'ব পাৰে, কিন্তু ইয়াতো আপুনি ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ উত্তৰসমূহৰ উদ্ভৱ হোৱা ধৰণসমূহ চাবলৈ সহায় কৰিব পাৰে, একেধৰণৰ উত্তৰৰ সৈতে সংযোগ স্থাপন কৰিব বা কিছুমান উত্তৰ কিয় অশুদ্ধ হয় সেই সম্পৰ্কে আলোচনা কৰিব।

স্ব-শুধৰণি আৰু সমনীয়া-শুধৰণি যথেষ্ট কাৰ্যকৰী আৰু যেতিয়া ছাত্ৰ-ছাত্ৰীয়ে দলগতভাৱে ত্ৰি য়া-কলাপ বা কাৰ্য সম্পাদন কৰে তেতিয়া ছাত্ৰ-ছাত্ৰীসকলৰ নিজৰ আৰু ইজনে সিজনৰ কাম পৰীক্ষা কৰি চাবলৈ আপুনি তেওঁলোকক উৎসাহিত কৰিব পাৰে। এটা সময়ত এটাহে দিশ শুধৰাই দিয়াটোত গুৰুত্ব দিয়াটো উত্তম যাতে অত্যাধিক আহুকলীয়া তথ্য নাথাকে।

## সমল ২ঃ লিখন বিকাশৰ ত্ৰি য়া-কলাপ (Resource 2: Activities to develop writing)

১) কোনো সাধুকথাৰ চৰিত্ৰ এটিৰ চিত্ৰ এখন আঁকক। ই আপোনাৰ পাঠ্যপুথিত থকা বা প্ৰত্যেকেই ভালকৈ জনা এটা সাধুকথাৰ পৰা ল'ব পাৰে। ইয়াৰ বিষয়ে পাচঁ বা ছয়টা বাক্য ইংৰাজীত লিখক।

২) খেলি মেলিকৈ দিয়া বাক্যবোৰ সজাই এটা অৰ্থপূৰ্ণ দফা পুনৰ লিখি উলিয়াওক।

৩) যিকোনো বিষয়ক অলপতে পঢ়া পাঠ এটাৰ সাৰাংশ এটা দফাত লিখক আৰু উদাহৰণ দি ব্যাখ্যা কৰক।

৪) কোনো এটা গল্প বা সাধুকথা বা কবিতাৰ ভিত্তিত পৃষ্ঠা চিহ্ন (Book mark) এটি প্ৰস্তুত কৰক। ইয়াৰ এটা ফালে চৰিত্ৰ এটি নাইবা এটা চমু সাৰাংশ লিখক। আনটো ফালে সাধুটোৰ শীৰ্ষক আৰু লেখকৰ নামটো লিখক।

৫) কোনো কিতাপৰ লেখকলৈ চিঠি এখন লিখক। (যদিহে লেখকগৰাকী জীৱিত, তেখেতৰ ঠিকনাটো আপোনাৰ ৰাজ্যৰ পাঠ্যপুথি সমিতিৰ পৰা বিচাৰি ল'বলৈ চেষ্টা কৰক আৰু তেওঁলোকলৈ ছাত্ৰ-ছাত্ৰীৰ কেতবোৰ চিঠি ডাক যোগে প্ৰেৰণ কৰক।)

৬) (বয়সীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে) কোনো এটি সাধু বা গল্পৰ আধাৰত নিম্ন শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বৃহৎ পুথি (big book) প্ৰস্তুত কৰক।

৭) অলপতে পঢ়া পাঠ এটিৰ যিকোনো বিষয়-বস্তু এটাক লৈ কমেও দহটা প্ৰ.নৰ এটি ইংৰাজী 'প্ৰ.ন বাণ' (Quiz) যুগুত কৰক। ই শিকন দৃঢ়ীকৰণৰ লগতে লিখন অভ্যাসতো সহায় কৰিব। প্ৰ.নোত্তৰ বা প্ৰ.ন বাণ (Quiz) টোত ছাত্ৰ-ছাত্ৰীয়ে ভাগ

লোৰাৰ পিছত তেওঁলোকৰ পৰস্পৰৰ মাজত নিজ নিজ উত্তৰ কাকতসমূহ বিনিময় আৰু পৰীক্ষা কৰি চাবলৈ দিয়ক।

৮) ছাত্ৰ-ছাত্ৰীসকলক এটি সাধু শুনাওক, কিন্তু শেষ অংশটি নক'ব। তেওঁলোকক শেষত কি ঘটিব পাৰে অনুমান কৰি লিখিবলৈ কওক। মনত ৰাখিব যে সাধুটোৰ কোনো শুদ্ধ বা ভুল সামৰণি নাই।

৯) ছাত্ৰ-ছাত্ৰীসকলক এটা সৰু বস্তু আনিবলৈ কওক, যেনে - এডাল পেঞ্চিল, বাকচ, গছ-পাত ইত্যাদি। শ্ৰেণীটো পাঁচ বা ছয়জনীয়া দলত ভাগ কৰক। তেওঁলোকে অনা সকলোবোৰ বস্তু দলৰ মাজত থোৱা হওক। দহ মিনিট সময় সীমাৰ ভিতৰত প্ৰতিটো দলে তেওঁলোকে অনা বস্তুবোৰৰ ভিত্তিত একোটাকৈ সম্ভাব্য গল্প বা সাধু আলোচনা কৰি উলিয়াব। তাৰ পিছত তেওঁলোকে সাধু বা গল্পটি লিখি উলিয়াব (যিটো নূন্যতম পাঁচৰ পৰা ছয় শাৰী দীঘল হ'ব লাগিব)। প্ৰতিটো দলৰ পৰা এগৰাকীকৈ ছাত্ৰ-ছাত্ৰীয়ে গল্প বা সাধুটো শ্ৰেণীত বৰ্ণনা কৰিব। যিটো দলে সংগ্ৰহ কৰা সকলোবোৰ বস্তু বা সামগ্ৰী অন্তৰ্ভুক্ত কৰি সাধু বা গল্পটো ক'ব, সেই সাধু বা গল্পটোৱেই শ্ৰেষ্ঠ বিবেচিত হ'ব।

১০) শ্ৰেণীটো পাঁচজনীয়া দলত ভাগ কৰক। প্ৰতিটো দলত লিখিবলৈ এডোখৰ কাগজ আৰু কমেও এডালকৈ পেঞ্চিল থাকিব। আগতীয়া আলোচনা নকৰাকৈ প্ৰতিটো দলে একোটাকৈ সাধু বা গল্প যুগুত কৰিব, দলৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে এবাৰত এটিকৈ বাক্য আগবঢ়াব। প্ৰতিটো দলৰ এগৰাকী ছাত্ৰ-ছাত্ৰীক সূচনাকাৰী বা আৰম্ভণি কৰোঁতা (Starter) হিচাপে নিৰ্বাচন কৰক। তেওঁ কাগজডোখৰত এটি বাক্য লিখিব, তাৰ পিছত দলৰ পিছৰ ছাত্ৰ-ছাত্ৰগৰাকী আগবঢ়াই দিব। দ্বিতীয় গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে থকা বাক্যটোৰ লগত সংযোগ কৰি আন এটা বাক্য লিখিব। সাধু বা গল্পটো সম্পূৰ্ণ নোহোৱালৈকে কাগজ ডোখৰ আগবাঢ়ি ঘূৰি থাকিব। কোনো এটা বিন্দুত গল্প বা সাধুটো আৰু অধিক আগবাঢ়িব নোৱাৰে বুলি যিকোনো এগৰাকীয়ে ঠিৰাং কৰিব পাৰিব। যদিহে দলৰ আনসকলে মান্তি হয়, তেন্তে দলটিয়ে আন এগৰাকী আৰম্ভকাৰী (Starter) বাছনি কৰিব যিয়ে আন এটা নতুন সাধু বা গল্পৰ বাবে এটা নতুন বাক্য লিখিব অথবা প্ৰথম সাধু বা গল্পটোৰ দ্বিতীয় অধ্যয় আৰম্ভ কৰিব।

# Additional resources

- RVEC Bangalore: http://www.rvec.in/
- Teachers of India classroom resources: http://www.teachersofindia.org/en

# References

Bhatt, H. (2009) 'Reading and learning: my experiments in my village school', *Learning Curve*, no. 13, pp. 34–6. Available from: https://www.yumpu.com/en/document/view/9502104/learning-curve-issue-xiii-azim-premji-foundation/35 (accessed 8 July 2014).

Dombey, H. and Moustafa, M. (1998) *Whole to Part Phonics: How Children Learn to Read and Spell*. London: Centre for Literacy in Primary Education.

Graham, J. and Kelly, A. (2012) *Reading under Control: Teaching Reading in the Primary School*, 3rd edn. London: Routledge.

Graves, D. (1994) *A Fresh Look at Writing*. Portsmouth: Heinemann.

Graves, D. (2003) *Writing: Teachers and Children at Work*. Portsmouth: Heinemann.

O'Sullivan, O. (2007) *Understanding Spelling*. London: Centre for Literacy in Primary Education.

Smith, F. (1994) *Writing and the Writer*. London: Routledge.

# Acknowledgements

Except for third party materials and otherwise stated below, this content is made available under a Creative Commons Attribution-ShareAlike licence (http://creativecommons.org/licenses/by-sa/3.0/). The material acknowledged below is Proprietary and used under licence for this project, and not subject to the Creative Commons Licence. This means that this material may only be used unadapted within the TESS-India project and not in any subsequent OER versions. This includes the use of the TESS-India, OU and UKAID logos.

Grateful acknowledgement is made to the following sources for permission to reproduce the material in this unit:

Figure 3: provided by Mythili Ramchand.

Figures 4 and 5: extract from http://esol.coedu.usf.edu/.

Every effort has been made to contact copyright owners. If any have been inadvertently overlooked the publishers will be pleased to make the necessary arrangements at the first opportunity.

Video (including video stills): thanks are extended to the teacher educators, headteachers, teachers and students across India who worked with The Open University in the productions.